# ISRAA ৰ সংক্ষিপ্ত পৰিচয়

ISRAA (ইচৰা) অৰ্থাৎ Intellectual Studies and Research Academy Assam. ভৱিষ্যতদৰ্শী যুৱ-উদ্যম, দৃঢ়-সংকল্প আৰু সুস্থ-পৰিকল্পনাৰ এখন মঞ্চৰ নাম। অতি কম সময়ত অসমত বিশেষকৈ যুৱ সমাজত ব্যাপক সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছে। শাৰীৰিক আৰু মানসিক একাত্মিকতা আৰু একনিষ্ঠতাৰ সম্ভাব্য আটাইবোৰ উপায়েৰে মানৱ সেৱাত নিমজ্জিত হোৱা, জীৱনৰ আটাইবোৰ ব্যস্ততাৰ মাজেৰে নিজৰ আহৰি সময়ৰ এটা অংশ মানৱ সেৱাত ব্যয় কৰা, ISRAAৰ মজিয়াত পাৰ্থিৱ লাভ-লোকচানৰ হিচাপ নকৰি প্ৰতিদানৰ বিষয়টো ঈশ্বৰৰ ওপৰত এৰি দিয়া, ISRAAৰ প্ৰাথমিক চৰ্ত। আনহাতে আধ্যাত্মিকতাক সাৰথি কৰি মানৱসেৱাৰ চৰ্চা সাৰ্বজনীন কৰা, সৰ্বদা মধ্যমপন্থা অনুসৰণ কৰা, কথা, কৰ্ম আৰু আচৰণৰ জৰিয়তে নিজৰ পৰিচয় দাঙি ধৰা ISRAAৰ দায়িত্ব। লগতে ISRAAৰ চাৰিসীমাৰ আওতাত পদাৰ্পণ কৰি শিক্ষা আৰু আদৰ্শেৰে নিজকে শক্তিশালী কৰা, জীৱনৰ যাৱতীয় দায়িত্ব আৰু ব্যস্ততাৰ মাজেৰে সময়ৰ দাবী তথা পৰিস্থিতিৰ আহ্বান অনুযায়ী বিভিন্ন বিষয়ত অধ্যয়নৰ জৰিয়তে নিজকে জ্ঞানপুষ্ট কৰা, বিভিন্ন মনীষীৰ জীৱন-চৰিত, ইতিহাস, বিজ্ঞান-প্ৰযুক্তি, ভূ-গোল, সভ্যতা-সংস্কৃতি, ভাষা-সাহিত্য, ৰাজনীতি, অৰ্থনীতি, সমাজ বিজ্ঞান ইত্যাদি বিষয়ত সম্যক জ্ঞান অৰ্জন কৰা। বিশেষকৈ অসমীয়া ভাষা আৰু সমান্তৰালকৈ অন্যান্য ভাষাও পৰ্য্যাপ্ত পৰিমাণে নিজৰ আয়ত্তত আনিবলৈ চেষ্টা কৰা। গৱেষণামূলক কিতাপ বা বৌদ্ধিক মহলে চৰ্চা কৰা বিষয় বা প্ৰস্তুত কৰা লেখাবোৰৰ অধ্যয়নৰ জৰিয়তে গৱেষণাৰ অভ্যাস গঢ়ি তোলা ইত্যাদি সংক্ষেপে ISRAA বুলি পৰিচিত।

ISRAA মূলতঃ এটি শৈক্ষিক প্ৰতিষ্ঠানৰ নাম। সামাজিক বা ৰাজনৈতিক কোনো ক্ষেত্ৰতে ISRAAই প্ৰত্যক্ষৰূপে অংশগ্ৰহণ নকৰে। অৱশ্যে ISRAAৰ অধীনস্থ কোনো ব্যক্তি বা সংগঠনে যিকোনো ক্ষেত্ৰত অংশগ্ৰহণ কৰাটো ISRAAই বিৰোধিতা নকৰে। কাৰণ কোনো ব্যক্তি, অনুষ্ঠান বা সংগঠন (ধৰ্মীয় হওক বা সামাজিক) ৰ নিজস্ব নীতি আদৰ্শত ISRAAই অংশগ্ৰহণ নকৰে আৰু আলোচনা নকৰে। ISRAAই কোনো মত বা সংগঠনৰ বিৰোধ বা প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত প্ৰত্যক্ষভাৱে জড়িত নহয়।

থোৰতে ISRAAৰ মুখ্য প্ৰকল্পসমূহঃ

১) সাম্প্ৰতিক সময়ত উপযুক্ত শিক্ষাৰে জাতিটোক পুনঃ প্ৰতিষ্ঠা কৰাৰ চিন্তা কৰা।
২) প্ৰয়োজন সাপেক্ষে সমাজত শিক্ষাৰ অভাৱ পূৰণ কৰাৰ্থে নতুনকৈ অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়াৰ চিন্তা কৰা।
৩) ছাত্ৰ-ছাত্ৰীৰ বাবে কেৰিয়াৰ-গাইড কেন্দ্ৰ, গৱেষণা কেন্দ্ৰ, লাইব্ৰেৰী, সাহিত্য চৰ্চা কেন্দ্ৰ প্ৰতিষ্ঠা কৰা।
৪) আৰবী, উৰ্দু, ইংৰাজী, ফাৰ্চি ভাষাত থকা কিতাপসমূহ অসমীয়ালৈ ভাষান্তৰ কৰা, লগতে অসমীয়া ভাষাত থকা বিভিন্ন কিতাপসমূহ অন্য ভাষালৈ অনুবাদ কৰা।
৫) নিয়মীয়া আলোচনী আৰু বিভিন্ন বিষয়ত কিতাপাদি প্ৰকাশ কৰা।
৬) শিক্ষা আৰু প্ৰচাৰত যথাযথ গুৰুত্বৰে জ্ঞান, কৃষ্টি-কলাৰ ৰক্ষণাবেক্ষণৰ উদ্দেশ্যে ইন্টাৰনেট, চছিয়েল মিডিয়াত বিশেষ পদক্ষেপ লোৱা।

উল্লেখ থাকে যে, ISRAA কোনো ধৰণৰ চান্দা (জাকাত বা ফিতৰা) গ্ৰহণ আৰু সংগ্ৰহ নকৰে। ISRAA আৰ্থিকভাৱে সম্পূৰ্ণকৈ সদস্যসকলৰ ওপৰত নিৰ্ভৰশীল। সাধ্যানুসৰি নিজৰ তন আৰু মনৰ লগতে নিজস্ব ধনৰ জৰিয়তে মানৱ সেৱা একনিষ্ঠ ভাৱে কৰি যোৱাই ISRAAৰ প্ৰাথমিক প্ৰতিজ্ঞা। নিঃস্বাৰ্থ আৰ্থিক সহযোগিতা আৰু আৰ্থিক পৃষ্ঠপোষকতা (Sponsorship) ৰ জৰিয়তে ISRAAৰ কোনো উদ্যোগ তথা প্ৰকল্পত ভাগ ল'বলৈ ইচ্ছুক হলে ISRAAই আদৰণি জনায়।

ISRAAৰ উদ্যোগত অসমীয়া ভাষাত **ভ্ৰান্তি ভঙ্গ** কে ধৰি এতিয়ালৈ ৬ খন কিতাপ প্ৰকাশ পাইছে আৰু প্ৰায় ১৫ খন কিতাপ ISRAAৰ তত্বাৱধানত প্ৰক্ৰিয়াধীন হৈ আছে। ISRAAই বিভিন্ন বিষয়ত অসমীয়া ভাষাত প্ৰায় ১০০ খন হাতপুথিও প্ৰস্তুত কৰাৰ সংকল্প লৈছে। বিভিন্ন আলোচনী বা পেপাৰ-পত্ৰিকাত প্ৰকাশ হোৱা বিতৰ্কিত তথা তথ্যহীন লেখাৰ ISRAAই তথ্যমূলক প্ৰত্যুত্তৰ দিয়াত সদায় সৰৱ থাকে। এতিয়ালৈ ISRAAই প্ৰত্যুত্তৰমূলক এনে ২০ টাৰো অধিক লেখা বিভিন্ন পত্ৰিকাত লিখিছে। ইয়াৰোপৰি ISRAAৰ প্ৰায় ১৫০ টাৰো অধিক প্ৰৱন্ধ বিভিন্ন পেপাৰ বা আলোচনীত প্ৰকাশ পাইছে। ইতিমধ্যে ৮০% কাম সম্পূৰ্ণ হোৱা ISRAAৰ এটা Website: [www.israa.online](http://www.israa.online) আছে। ফেচবুকত [https://www.facebook.com/israa.assam](https://www.facebook.com/israa.assam) নামেৰে এটি পেজ আছে। ৱাটসএপৰ জৰিয়াতেও ISRAAই বিভিন্ন সেৱা আগবঢ়ায়। অসমৰ বহুকেইখন জিলাৰ শতাধিক যুৱ সদস্য ISRAAৰে প্ৰত্যক্ষভাৱে জড়িত হৈ আছে। এতিয়ালৈ বহুকেইখন জিলাত ISRAAই বিভিন্ন বিষয়াদিত কৰ্মশালাৰ আয়োজন কৰিছে।

আমাৰ প্ৰতিদিনৰ ২৪ ঘন্টাৰ মাজৰ পৰা আমি অনেক সময় অনৰ্থক খৰচ কৰো। আনহাতে আমাৰ মাজৰ বহুতৰে মানৱসেৱাৰ প্ৰৱল হেঁপাহ মনত থাকে যদিও উচিত মঞ্চ, উত্তম পন্থা, প্ৰয়োজনীয় দিহা আৰু ব্যস্ত সময়ৰ মাজত সুবিধাৰ অভাৱত সেই হেঁপাহ মনতে ৰৈ যায়। সেয়ে নিজৰ অৱসৰৰ মাজৰ পৰা সময় সুবিধা মতে উলিয়াই ISRAAৰ সুশৃঙ্খল পদ্ধতিৰ জৰিয়তে ব্যক্তিগত ব্যস্ততা আৰু কৰ্মজীৱনৰ ব্যস্ততাত কোনো প্ৰভাৱ নপৰাকৈ সমাজ তথা জাতিৰ হিতে ব্যয় কৰি পৰকালৰ বাবে কিছু পুণ্য সঞ্চয় কৰাৰ যিটো পৰিকল্পনা ISRAAই কৰিছে, আমি ISRAAৰ সদস্য হ'ব পাৰি নিজকে ধন্য মানিছোঁ । লগতে সকলোকে ISRAAৰে জড়িত হৈ এই মহান কামত নিজৰ-নিজৰ সাধ্য আৰু সুবিধানুসৰি সময়, চিন্তা আৰু শ্ৰম আগবাঢ়াবলৈ আহ্বান ইয়াৰে জনাওঁ।

ISRAAৰে জড়িত হৈ আপুনি কিদৰে কাম কৰিব পাৰে-

- যদি আপুনি ISRAAত সময় দিব পাৰে, তেনেহ'লে ISRAAত আপুনি সক্ৰিয় সদস্যতা (Active Membership) গ্ৰহণ কৰক। ISRAAই আপোনাৰ পেচা, প্ৰতিভা, দক্ষতা অনুযায়ী সেৱা কৰাৰ ব্যৱস্থা কৰি দিব। যেনে- যদি আপুনি সাহিত্য চৰ্চা কৰে, তেনেহ'লে আপোনাৰ লেখাৰে ISRAAক সহযোগিতা কৰিব পাৰিব। যদি আপুনি এজন চিকিৎসক, ISRAAৰ জৰিয়তে আপোনাৰ সুবিধাৰ স্থানত বিনামূলীয়া শিবিৰৰ আয়োজন কৰিব পাৰিব। ব্যৱস্থাপনাৰ দায়িত্ব ইচৰাই গ্ৰহণ কৰিব। ISRAA হল আপোনাৰ মূল্যৱান সময়ৰ উচিত ব্যৱহাৰৰ জৰিয়তে আপোনাৰ প্ৰতিভাৰ সঠিক ব্যৱহাৰৰ স্থান।
- আপুনি যদি সময় দিব নোৱাৰে, তেনেহ'লে ISRAAত আপুনি সাধাৰণ সদস্যতা (General Membership) গ্ৰহণ কৰক। আপুনি যদি আৰ্থিক সহযোগিতা কৰিব পাৰে, আপোনাৰ সহযোগিতাৰে ISRAAই আপোনাৰ হৈ কোনো প্ৰকল্প ৰূপায়িত কৰিব। যেনে- আপোনাৰ হৈ আপোনাৰ নামত ISRAAই গ্ৰন্থ এখন প্ৰকাশ কৰিব পাৰে বা অন্য যিকোনো প্ৰকল্পত আপোনাৰ অৰ্থৰ সৎ ব্যৱহাৰ হোৱাৰ ISRAAই ব্যৱস্থা কৰিব। আপোনাৰ অৰ্থৰ ব্যৱহাৰ আপোনাৰ ইচ্ছা আৰু নজৰত হোৱাৰ ব্যৱস্থা কৰিবলৈ ISRAA প্ৰতিজ্ঞাবদ্ধ। আৰু যদি আপুনি অৰ্থেৰে সহযোগিতা কৰিব নোৱাৰে তেনেহ'লে আপুনি যিদৰে পাৰে ISRAAক সহযোগিতা কৰিব পাৰে।

(ISRAA কৰ্তৃপক্ষৰ হৈ)

ধন্যবাদেৰে.......

হাফিজ হিদায়াতুল ৰাদুদ কাছিমী